Postal RN GH/134/2023-2025

A PEER REVIEWED MONTHLY JOURNAL

বৰ্ষ ১৫, সংখ্যা ৬ জুলাই, ২০২৫ RNI- ASSASS/2011/37923 ISSN-2231-0517

# স্বৰ্ণলিপি

Vol 15 ■ Issue 6 ■ SWARNALIPI ■ July 2025, Guwahati




চন্দ্ৰপ্ৰসাদ শইকীয়াৰ দৰ্শন






ঔপনিৱেশিক কালপৰিধিৰ ঊনবিংশ শতিকাৰ শিৱসাগৰৰ শৈক্ষিক প্ৰতিষ্ঠান : প্ৰত্যয় আৰু প্ৰত্যাশা



ড° ভবেন্দ্ৰনাথ শইকীয়া সম্পাদিত ‘সঁফুৰা’ আলোচনীত অসমীয়া ভাষা-চৰ্চা




গোপালদেৱৰ নাট্যকৃতি : উত্তৰ শঙ্কৰী যুগৰ নাট্যসাহিত্যৰ অমূল্য সম্পদ

A Peer Reviewed Journal ₹50/-

Vol 15 ■ Issue 6 ■ SWARNALIPI ■ JULY, 2025

RNI REG NO.ASSASS/2011/37923 ■ ISSN-2231-0517 ■ Postal RN GH/134/2023-2025
DAVP, Govt. of India & IPRD, Govt. of Assam Approved

# Swarnalipi

Literary & Socio-Cultural Monthly Research Journal in Assamese
Swarnalipi Bhawan, 36 Mon Akashi Path, Jyoti Nagar
Guwahati-781021, Ph-99571-85835
**Email:** swarnalipi2011@gmail.com
**Facebook Page** : swarnalipi
**Facebook Public Group** : Swarnalipi
**Facebook Private Group:** Swarnalipi Literary Group

Website: **www.swarnalipi.com**

# স্বৰ্ণলিপি

সাহিত্য সমাজ সংস্কৃতি-গৱেষণাধৰ্মী আলোচনী
বৰ্ষ ১৫ ■ সংখ্যা ৬ ■ জুলাই, ২০২৫

## সূচীপত্ৰ

৫ সম্পাদকীয় ■ চন্দ্ৰপ্ৰসাদ শইকীয়াৰ দৰ্শন

### ধাৰাবাহিক উপন্যাস

৪১ তমোহৰ ■ জয়ন্ত মাধৱ বৰা
৬২ মৃত্যুস্নান ■ ডঃ জ্যোতিপ্ৰসাদ শইকীয়া
৫৮ ৰামবাগিচা বাছষ্টেণ্ড ■ ৰাজীৱ কুমাৰ ফুকন

### গৱেষণা-পত্ৰ

১৪ ড° ভবেন্দ্ৰনাথ শইকীয়া সম্পাদিত 'সঁফুৰা' আলোচনীত অসমীয়া ভাষা-চৰ্চা ঃ এক অধ্যয়ন ■ ছন্দামিতা ঠাকুৰীয়া
২৫ ঐতিহাসিক দৃষ্টিকোণৰ পৰা ভূমিপুত্ৰ হিচাপে কৈৱৰ্তসকলৰ সামাজিক জীৱন ■ প্ৰভা ৰাণী দাস, ড° নিৰোদ বৰুৱা
৫৩ গোপালদেৱৰ নাট্যকৃতি ঃ উত্তৰ শঙ্কৰী যুগৰ নাট্য সাহিত্যৰ অমূল্য সম্পদ ■ প্ৰাৰ্থনা হাজৰিকা

### কবিতা

৩৪-৩৫ মৃণাল কুমাৰ বৰা, হিল্লোলজোতি সিংহ, ড° ৰঘুনাথ কাগ্‌য়ুং, ঋত্বিক পৰাশৰ

### ভ্ৰমণ-কাহিনী

৩৬ প্ৰকৃতিৰ ৰাণী ভূটান চাই আহিলোঁ ■ ড° অৰ্পণা কোঁৱৰ
৩২ মহাসমুদ্ৰৰ পাৰে পাৰে ■ ড° ৰুবী বৰা

### প্ৰচ্ছদ-বিশেষ

৭ ঔপনিৱেশিক কালপৰিধিৰ উনবিংশ শতিকাৰ শিৱসাগৰৰ শৈক্ষিক প্ৰতিষ্ঠান ঃ প্ৰত্যয় আৰু প্ৰত্যাশা ■ ড° জয়ন্ত কুমাৰ বৰা
২০ ড° অৰ্পণা মহন্তৰ 'নাৰীবাদ' ঃ এক পৰ্যালোচনা ■ ড° কস্তুৰী নাথ

### ধাৰাবাহিক উপন্যাসোপম জীৱন-কথা

৪৪ নিৰুপম নিৰুপমা ■ ডঃ জ্যোতিপ্ৰসাদ শইকীয়া

**অহা সংখ্যাত**

।। ড° দিগন্ত ৰাজবংশীৰ অসমীয়া একাংকিকা নাটকত কুইয়ৰ জীৱন চৰ্চা; নয়ন চেতিয়াৰ শিৱসাগৰ জিলাৰ হাঁহচৰাৰ কন্যাক নগাসকলৰ লোকবাদ্য।।
— লগতে গল্প, কবিতা আৰু অন্যান্য নিয়মীয়া ৰচনা —

ব্যৱস্থাপনা ঃ অংশুমান গগৈ
শব্দগ্ৰন্থন ঃ নিৰঞ্জন শৰ্মা
সচিব ঃ ধৰিত্ৰী গোস্বামী

হৃদয়ানন্দ গগৈৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত
Printed published and owned by Hridayananda Gogoi and Printed at Swarnalipi Offset Press, Swarnalipi Bhawan, 36 Mon Akashi Path, Jyoti Nagar, Bamunimaidam,Guwahati-781021, and published at 36 Mon Akashi Path, Jyoti Nagar, Bamunimaidam, Guwahati-781021. Ph: 9957185835, Email: swarnalipi2011@gmail.com

**Chief Editor : Hridayananda Gogoi**

ISSN-2231-0517
Swarnalipi ■ A Peer Reviewed Journal
RNI No.ASSASS/2011/37923
Vol 15 ■ Issue 6 ■ JULY, 2025

গৱেষণা-পত্ৰ

# গোপালদেৱৰ নাট্যকৃতি ঃ উত্তৰ শঙ্কৰী যুগৰ নাট্য সাহিত্যৰ অমূল্য সম্পদ

▶▶ প্ৰাৰ্থনা হাজৰিকা

**প্ৰস্তাৱনা ঃ**

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পাছতে অসমত নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ জাগৰণক শক্তিশালী ৰূপত প্ৰৱাহিত কৰি ৰাখিবলৈ বিভিন্নজন বৈষ্ণৱ সন্ত-মহন্ত আৰু ধৰ্মাচাৰ্যই নেতৃত্ব প্ৰদান কৰিছিল। এনে কাণ্ডাৰীসকলৰ ভিতৰত অন্যতম এগৰাকী হ'ল কালসংহতিৰ প্ৰতিষ্ঠাতা ভৱানীপুৰীয়া গোপাল আতা বা গোপালদেৱ। মাধৱদেৱৰ একান্ত অনুগত তথা অন্যতম প্ৰধান শিষ্য গোপাল আতাই মহাপুৰুষ দুজনৰ পৰৱৰ্তী কালছোৱাত নৱবৈষ্ণৱ ধৰ্মীয় জাগৰণক সবল নেতৃত্বৰে আগবঢ়াই নি অসমৰ ধৰ্মীয় ইতিহাসত বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। তেওঁ কেৱল এগৰাকী ধৰ্মপ্ৰচাৰকেই নাছিল, একেধাৰে এজন কবি, গীতিকাৰ, নাট্যকাৰ, সুগায়ক আৰু সুঅভিনেতা ৰূপে গোপালদেৱ আছিল অনন্য কৃতিত্বৰ অধিকাৰী। মধ্যযুগীয় অসমৰ এগৰাকী অন্যতম উল্লেখযোগ্য গীতিকাৰ হোৱাৰ লগতে নাট্যকাৰ হিচাপেও তেওঁৰ সুকীয়া পৰিচয় আছে। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ আৰ্হি আগত ৰাখি গোপাল আতাই জন্মযাত্ৰা, নন্দোৎসৱ আৰু উদ্ধৱ সংবাদ নামৰ তিনিখন নাট ৰচনা কৰি শঙ্কৰোত্তৰ কালৰ নাট্য সাহিত্যক মহিমামণ্ডিত কৰি থৈ গৈছে। এইখিনিতে উল্লেখনীয় যে জন্মযাত্ৰা আৰু নন্দোৎসৱ নাট দুখনক দুখন সুকীয়া নাট বুলি নকৈ নন্দোৎসৱক জন্মযাত্ৰাৰ পৰিপুৰক নাট বুলি অভিহিত কৰিব পাৰি। কাৰণ জন্মযাত্ৰাৰ কাহিনীভাগেই ক্ৰমাগতভাৱে আগবাঢ়ি গৈ নন্দোৎসৱৰ জৰিয়তে সমাপ্তি

*গোপালদেৱে যদিও শঙ্কৰদেৱৰ অঙ্কীয়া নাট আৰু মাধৱদেৱৰ ঝুমুৰাৰ আদৰ্শ গ্ৰহণ কৰিছিল, বহুক্ষেত্ৰত তেওঁৰ নাটকেইখনত কিছু বৈশাদৃশ্যও দৃষ্টিগোচৰ হয়। নাটখনৰ আৰম্ভণি স্তুতিমূলক শ্লোক এটিৰে কৰা হৈছে যদিও ই নান্দীৰ সমপৰ্যায়ৰ নহয়। তদুপৰি আৰম্ভণিৰ ভটিমা আৰু মুক্তিমঙ্গল ভটিমাও নাট্যকাৰে সংযোজন কৰা দেখা নাযায়। নাটখনত সূত্ৰধাৰৰ বচনৰ পিচতে ব্ৰহ্মা আদি দেৱতাসকলৰ প্ৰৱেশ দেখুওৱাটোও নাট্যকাৰৰ এক স্বকীয় দিশ বুলিব পাৰি।*

ঘটিছে। এনেদৰে প্ৰত্যক্ষ কৰিলে দুয়োখনকে এখন নাটৰ দুটা খণ্ড বুলিও ক'ব পাৰি। তেতিয়া গোপাল আতাৰ নাটৰ সংখ্যা তিনিখন বুলি নকৈ দুখন বুলি ক'লেহে অধিক যুক্তিসংগত হ'ব। বিভিন্নজন সমালোচকেও এই নাট দুখনক পৃথক বুলি কোৱাৰ পৰিৱৰ্তে একেখন নাটৰ দুটা অংশ বুলি উল্লেখ কৰিছে।

**জন্মযাত্ৰা ঃ**

বসুমতী আৰু ব্ৰহ্মাৰ কথোপকথনেৰে আৰম্ভ হোৱা জন্মযাত্ৰা নাটখনৰ কাহিনীৰ অন্ত পৰিছে নন্দৰ গৃহত অনুষ্ঠিত হোৱা কৃষ্ণৰ জন্মোৎসৱৰ বিৱৰণেৰে। দুৰ্জনৰ অত্যাচাৰৰ ফলত বসুমতীৰ দুখ - দুৰ্দশা দেখি ব্ৰহ্মা আদি দেৱতাসকলে জনোৱা প্ৰাৰ্থনাত ভগৱান নাৰায়ণে বসুদেৱ-দৈৱকীৰ পুত্ৰৰূপে জন্মগ্ৰহণ কৰা ঘটনাংশই এই নাটখনৰ মূল বিষয়বস্তু।

মথুৰাৰ অধিপতি উগ্ৰসেনৰ কন্যা দৈৱকীৰ বসুদেৱৰ সৈতে বিবাহ সম্পন্ন হোৱাৰ পিছত ভাতৃ কংসই দৈৱকী আৰু বসুদেৱক ৰথত তুলি আগবঢ়াই থ'বলৈ নিয়াৰ পথত আকাশবাণী হয় যে, দৈৱকীৰ অষ্টম পুত্ৰই কংসৰ প্ৰাণনাশ কৰিব। সেই কথা শুনি কংসই ভনীয়েকক মাৰিবলৈ উদ্যত হোৱাত বসুদেৱে বাধা প্ৰদান কৰিলে আৰু জন্ম মাত্ৰেই দৈৱকীৰ প্ৰতিটো সন্তান কংসৰ হাতত অৰ্পণ কৰাৰ প্ৰতিশ্ৰুতি দিলে। সেই মৰ্মেই কংসৰ কাৰাগাৰত বন্দীত্বৰ জীৱন কটাই বসুদেৱ- দৈৱকীয়ে তেওঁলোকৰ প্ৰতিটো সন্তান কংসৰ হাতত তুলি দিলে আৰু কংসৰ নিষ্ঠুৰতাৰ বলি হৈ সাতোটাকৈ সন্তানে মৃত্যুবৰণ কৰিলে। নিৰ্দিষ্ট সময়ত অষ্টম পুত্ৰৰূপে কৃষ্ণই জন্মগ্ৰহণ কৰিলে। কৃষ্ণৰ পৰামৰ্শ অনুসৰিয়েই বসুদেৱে গোকুলৰ নন্দ-যশোদাৰ ঘৰত কৃষ্ণক থৈ যোগমায়াক লৈ আহে। দৈৱকীৰ সন্তান জন্মৰ খবৰ পায়েই কংস উপস্থিত হ'ল আৰু কন্যা সন্তানটিক মাৰিবলৈ উদ্যত হওঁতেই হাতৰ পৰা এৰাই দেৱী মূৰ্ত্তি ধাৰণ কৰি আকাশমাৰ্গলৈ গ'ল আৰু কংসৰ প্ৰাণবৈৰী আন ঠাইত জন্মগ্ৰহণ কৰিছে বুলি কৈ অদৃশ্য হ'ল। সেই কথা শুনি কংসই নিজৰ ভুল উপলব্ধি কৰিলে আৰু বসুদেৱ - দৈৱকীৰ ওচৰত ক্ষমা বিচাৰিলে। আনফালে গোকুলত কৃষ্ণ জন্মৰ আনন্দ উলাহত সকলো গোপ-গোপী মিলি নন্দ-যশোদাৰ পুত্ৰৰ জন্মোৎসৱৰ আয়োজন কৰিলে।

নাট্যকাৰে নাটৰ কাহিনীভাগ ভাগৱতৰ দশম স্কন্ধৰ পৰা গ্ৰহণ কৰিছে। শঙ্কৰদেৱৰ দশমৰ কাহিনীটোকে নাট্যৰূপ দিছে, নাট্যকাৰ হিচাপে গোপালদেৱৰ মৌলিকতা পৰিলক্ষিত নহয়। 'শঙ্কৰদেৱৰ দশমৰ ২০ সংখ্যক পদৰ পৰা ১৫৩ সংখ্যক পদলৈ বিবৃত হোৱা কাহিনীভাগ জন্মযাত্ৰাত আছে। (বৰ্মন, সম্পা. ৪৯৩)

কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্ৰকাশক নাটখনত কৃষ্ণ চৰিত্ৰটোকেই মূল যেন লাগিলেও কাহিনীৰ প্ৰয়োজন অনুযায়ী চৰিত্ৰটোৰ ভূমিকা বহু পৰিমাণে সীমিত। বসুদেৱ -দৈৱকীৰ চৰিত্ৰ দুটাৰ জৰিয়তে পুত্ৰ শোকত ম্ৰিয়মান পিতৃ-মাতৃৰ চিত্ৰ অংকণ কৰিছে। আনহাতে কংস চৰিত্ৰটোৰ নিষ্ঠুৰ, নিৰ্দয়ী, অহংকাৰী, অত্যাচাৰী ৰূপ স্পষ্টভাৱে প্ৰকাশিত কৰিছে।

গীত-সূত্ৰৰ মাজেৰেও চৰিত্ৰসমূহৰ গুণাৱলীৰ সুন্দৰ বৰ্ণনা কৰিছে নাট্যকাৰে। গোপালদেৱে যদিও শঙ্কৰদেৱৰ অঙ্কীয়া নাট আৰু মাধৱদেৱৰ ঝুমুৰাৰ আদৰ্শ গ্ৰহণ কৰিছিল, বহুক্ষেত্ৰত তেওঁৰ নাটকেইখনত কিছু বৈশাদৃশ্যও দৃষ্টিগোচৰ হয়। নাটখনৰ আৰম্ভণি স্তুতিমূলক শ্লোক এটিৰে কৰা হৈছে যদিও ই নান্দীৰ সমপৰ্যায়ৰ নহয়। তদুপৰি আৰম্ভণিৰ ভটিমা আৰু মুক্তিমঙ্গল ভটিমাও নাট্যকাৰে সংযোজন কৰা দেখা নাযায়। নাটখনত সূত্ৰধাৰৰ বচনৰ পিচতে ব্ৰহ্মা আদি দেৱতাসকলৰ প্ৰৱেশ দেখুওৱাটোও নাট্যকাৰৰ এক স্বকীয় দিশ বুলিব পাৰি। জন্মযাত্ৰা নাটখনত গীতিধৰ্মী গুণ সততে লক্ষ্য কৰিব পাৰি। চৰিত পুথিসমূহৰ বৰ্ণনা অনুযায়ী গোপাল আতাই নাটখনত গুৰু মাধৱদেৱৰ এটি গীত সন্নিবিষ্ট কৰিবলৈ মানস কৰি অনুমতি বিচাৰিছিল। তেতিয়া মাধৱদেৱে নিজৰ গীত দিয়াৰ সলনি শঙ্কৰদেৱৰ এটি গীত সন্নিবিষ্ট কৰিবলৈ উপদেশ দিয়ে। সেই মৰ্মে গোপাল আতাই শঙ্কৰদেৱৰ 'হৰিক বয়ন হেৰি মাই' শীৰ্ষক গীতটো নাটখনত অন্তৰ্ভুক্ত কৰে-

"হৰিক বয়ন হেৰি মাই।
ফোকাৰে নিশ্বাস নীৰ নয়ন জুৰাই।।"

—পদ্মপাণি (সম্পা. ৬০)

**নন্দোৎসৱ ঃ**

গোপালদেৱৰ এই নাটখনিক পাঁচতি বা বোকা যাত্ৰা (বোকা ভাওনা) বুলিও কোৱা হয়। এইখনক পূৰ্ণাঙ্গ নাট বুলি নকৈ জন্মযাত্ৰাৰ পৰিপূৰক নাইবা পৰৱৰ্তী খণ্ড বুলি ক'লেহে অধিক ৰজিতা খায়। কাৰণ ইয়াৰ কাহিনীটো পৰিপূৰ্ণ নহয়। নন্দৰ তনয় ওপজাৰ অৰ্থাৎ কৃষ্ণ জন্মৰ আনন্দত উদ্‌যাপন কৰা গোকুলবাসীৰ আনন্দ উৎসৱৰ

খণ্ডচিত্ৰহে এই নাটখনত প্ৰতিফলিত হৈছে। সেয়েহে সমালোচকসকলেও নন্দোৎসৱখন নাট বুলি কোৱাৰ পৰিৱৰ্তে নাট্যচিত্ৰ বুলিহে উল্লেখ কৰিছে।

নন্দৰ গৃহলৈ আহি আনন্দত মতলীয়া হৈ গোপ-গোপীসকলে কৃষ্ণ জন্মোৎসৱৰ আয়োজন কৰা বৰ্ণনাৰে নাটখনি আৰম্ভ হৈছে। গৰ্গমুনিয়ে নন্দৰ গৃহত উপস্থিত হৈ কৃষ্ণৰ লগতে ৰোহিনী পুত্ৰ বলৰামৰ জাতকৰ্ম সম্পাদন কৰিছে আৰু সমস্ত গোকুলবাসীয়ে আনন্দত আত্মহাৰা হৈ নৃত্য-গীত কৰি জন্মোৎসৱত অংশগ্ৰহণ কৰাৰ বৰ্ণনাৰে কাহিনীভাগৰ অন্ত পৰিছে। তিনিটি মাত্ৰ গীত, সূত্ৰ আৰু চৰিত্ৰৰ মুখৰ সংলাপৰ জৰিয়তে নাট্যকাহিনীভাগৰ বৃত্তান্ত বৰ্ণাইছে। এই নন্দোৎসৱ বা বোকা ভাওনা পৰৱৰ্তী সময়তো ঠাই বিশেষে বিভিন্ন সত্ৰত মহাপুৰুষসকলৰ তিথিত অনুষ্ঠিত কৰাৰ তথ্য পোৱা যায়। প্ৰেমভক্তিত বিগলিত হৈ ভক্তসকলে মাটিত বাগৰি-বাগৰি আনন্দ প্ৰকাশ কৰাৰ ৰীতি প্ৰচলিত হৈ আহিছে। নাটৰ শেষৰ গীতটিতো তাৰ উল্লেখ আছে এনেদৰে-

"সভাত যতেক বৃদ্ধ আছে।
আনন্দতে উঠি সৱে নাচে।।
অন্যোঅন্যে কৰি ধৰাধৰি।
ফুৰে সৱে মাটিত বাগৰি।।
কতো উঠি কৰে জয় জয়।
উপজিল নন্দেৰ তনয়।।"
—পদ্মপাণি (সম্পা. ৬৭)

**উদ্ধৱ সংবাদ ঃ**

উদ্ধৱ সংবাদ বা উদ্ধৱযান নাটখন গোপালদেৱৰ এখনি পূৰ্ণাঙ্গ নাট। 'শঙ্কৰোত্তৰ যুগৰ নাটসমূহৰ ভিতৰত গোপাল আতাৰ উদ্ধৱ সংবাদ নাটখনক সৰ্বশ্ৰেষ্ঠ বুলিব পাৰি।' (ভূএগ্ৰা ৮২) উল্লেখ্য যে শঙ্কৰদেৱে উদ্ধৱযান (গোপী উদ্ধৱ সংবাদ) নামে এখনি নাট ৰচনা কৰাৰ তথ্য চৰিতপুথিসমূহত পোৱা যায়। কিন্তু নাটখনি জুয়ে পোৰাত গোপাল আতাই এই নাটখনি ৰচনা কৰি শঙ্কৰগুৰুৰ অসম্পূৰ্ণ কাৰ্যটি সম্পূৰ্ণ কৰে-

"উদ্ধৱ গোপীৰ প্ৰেম সংকেত বচন।
অঙ্কৰূপে শংকৰে কৰিলা নিবন্ধন।।
নতুব্যক্ত হোন্তে সিটো অগ্নিত পুৰিলা।
পুনুহো গোপালে সেহি কথা নিবন্ধিলা।।"
(৮২৯, দ্বিজ, পূৰ্ণানন্দ)

নাটখনৰ কাহিনী আৰম্ভ হৈছে কৃষ্ণই কংসক বধ কৰি উগ্ৰসেনক ৰজা পতাৰ লগতে পিতৃ-মাতৃক কাৰাগাৰৰ পৰা মুক্ত কৰাৰ বৰ্ণনাৰে। কৃষ্ণক উগ্ৰসেনে যুৱৰাজ ঘোষিত কৰাৰ পিছত নন্দৰ সৈতে মথুৰালৈ যোৱা গোপ-গোৱালসকল গোকুললৈ উভতি আহিল। কিন্তু কৃষ্ণ ঘূৰি নহাৰ দুখত যশোদা সহিত গোপ-গোপীসকল বিৰহত দগ্ধ হৈ পৰিল। শোকাৰ্ত গোকুলবাসীৰ অনুৰোধ মৰ্মে এজন পথিকে মথুৰালৈ গৈ কৃষ্ণৰ আগত নন্দ-যশোদা আৰু গোকুলৰ সমস্ত গোপ-গোপীৰ বিৰহ-কাতৰ অৱস্থা বৰ্ণনা কৰিলে। পথিকৰ মুখেৰে এনে শোকাৰ্ত বাৰ্তা লাভ কৰি কৃষ্ণৰ হৃদয় ব্যাকুল হৈ পৰিল আৰু প্ৰিয় সখা উদ্ধৱৰ হাতত গোকুলবাসীৰ উদ্দেশ্যে এখন পত্ৰ প্ৰেৰণ কৰিলে আৰু গোকুলবাসীক সান্ত্বনাবাণী দিয়াৰ উদ্দেশ্যে উদ্ধৱক গোকুললৈ নিক্ষেপ কৰিলে। সেই অনুক্ৰমে উদ্ধৱে গোকুললৈ গৈ সমস্ত গোকুলবাসীক কৃষ্ণৰ ঐশ্বৰীক গুণাৱলী বৰ্ণনা কৰি সান্ত্বনাবাণী প্ৰদান কৰিলে আৰু বিৰহ কাতৰা গোপীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি অভয়বাণী দিলে। উদ্ধৱৰ আশ্বাসবাণী লাভ কৰি গোকুলবাসী ক্ষান্ত হোৱা যেন দেখি কিছুদিন পিছত উদ্ধৱে মথুৰালৈ প্ৰত্যাৱৰ্তন কৰিলে আৰু কৃষ্ণৰ আগত সমস্ত বৃত্তান্ত বৰ্ণনা কৰিলে।

নাটখনৰ মূল কাহিনীটো ভাগৱতৰ দশম স্কন্ধৰ ষষ্ঠ চত্বাৰিংশ আৰু সপ্ত চত্বাৰিংশ অধ্যায়ত আছে। কীৰ্ত্তনতো এই কাহিনীভাগ চমুকৈ বিবৃত হৈছে। 'গোপাল আতাই তেওঁৰ নাটত মূল কাহিনীটোৰ কোনো পৰিৱৰ্তন ঘটোৱা নাই যদিও অভিনয় অধিক বাস্তৱানুগ কৰিবৰ কাৰণে কিছু সংযোজন-বিয়োজন কৰিছে।' (ভূএগ্ৰা ৮৩)

মূলত থকা কৃষ্ণ, উদ্ধৱ, নন্দ, যশোদা আৰু গোপীসকলৰ চৰিত্ৰক নাট্যকাৰে উপযুক্তভাৱে নাটকীয় চৰিত্ৰৰ ৰূপ দিছে। লগতে মূলত নথকা দূত বা পথিকৰ চৰিত্ৰ এটা সংযোজন কৰি নাট্যকাহিনীত গতিময়তা প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে নাট্যকাৰৰ মৌলিক সৃজনী প্ৰতিভাৰো প্ৰতিফলন ঘটিছে। সেইদৰে উদ্ধৱৰ হাতত কৃষ্ণই পত্ৰ প্ৰেৰণ কৰাৰ দৃশ্যটোও গোপালদেৱৰ স্বকীয় উদ্ভাৱন। নাট্যকাহিনীৰ বিকাশত এই ঘটনাংশৰ সংযোজনে বিশেষ মাত্ৰা প্ৰদান কৰিছে বুলি ক'ব পাৰি।

যদিও কৃষ্ণ চৰিত্ৰটোক মানৱসুলভতাৰে অংকিত কৰিছে, উদ্ধৱৰ সৈতে গোপীসকল তথা অন্য গোকুলবাসীৰ কথোপকথনৰ জৰিয়তে বাৰে-বাৰে কৃষ্ণ

চৰিত্ৰত ঈশ্বৰত্ব আৰোপ কৰিছে। নাটখনৰ এটা দৃশ্যত উদ্ধৱে গোপীসকলক উদ্দেশ্যি কৈছে- "জগতৰ পৰম কাৰণ, যাহেৰ নাম স্মৰণ মাত্ৰে পতিত পাতকীসৰ নিস্তাৰ হয়, ওহি কৃষ্ণক অন্তকালে যোহি স্মৰে, সোহি কৃষ্ণক ৰূপ পাৱয়, তত্বকালে বিমানে বৈকুণ্ঠ চলয়।" (পদ্মপানি সম্পা. ৮৯-৯০)

নাটখনত শ্লোক, সংলাপ, সূত্ৰ, চৰিত্ৰ আদিৰ তুলনাত গীতিধৰ্মী গুণক অধিক প্ৰাধান্য দিয়া হৈছে। গতিকে উদ্ধৱ সংবাদ নাটখনক গীতিপ্ৰধান নাট বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। নাট্যকাৰৰ নিজা সৃষ্ট গীতৰ লগতে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ কেইবাটাও গীত ইয়াত সন্নিবিষ্ট কৰিছে। চৰিত্ৰ আৰু ঘটনাক্ৰমৰ বৰ্ণনাৰ উপৰিও গীতৰ মাধ্যমেৰে সাজসজ্জা আৰু অলংকাৰৰ সুন্দৰ বৰ্ণনা প্ৰত্যক্ষ কৰিব পাৰি-

"প্ৰদীপৰ কান্তি তনু জলে আতি
ৰত্নময় অলঙ্কাৰ।
মকৰ কুণ্ডল কৰে জলমল
গলে সাতসৰী হাৰ।।"
—পদ্মপাণি (সম্পা. ৯০)

উপসংহাৰ ঃ

উত্তৰ শঙ্কৰী যুগৰ বিভিন্ন নাট্যকাৰৰ নাট্যৰাজিক সামগ্ৰিকভাৱে অধ্যয়ন কৰিলে পৰিলক্ষিত হোৱা এটি বিশেষ দিশ হৈছে মৌলিকত্বৰ অভাৱ। সেই সময়ৰ নাট্যসাহিত্যৰ স্বকীয় বিশেষত্ব সততে পৰিলক্ষিত নহয় বুলিলেও ভুল কোৱা নহ'ব। নাট্যকাৰসকলে বিশেষকৈ পৰিমাণগত দিশটোলৈ অধিক লক্ষ্য কৰাৰ বাবেই হয়তো গুণগত দিশটোৰে কোনোবাখিনিত গুৰুত্ব হেৰুৱাইছে যেন বোধ হয়। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ প্ৰভাৱ তথা অনুকৰণেই বেছিসংখ্যক নাট্যকাৰৰ ক্ষেত্ৰত দৃষ্টিগোচৰ হয়। কিন্তু গোপালদেৱক এইক্ষেত্ৰত কিছুপৰিমাণে ব্যতিক্ৰম যেন লাগে এইকাৰণেই যে যদিও গীত-পদৰ ক্ষেত্ৰত তেওঁ প্ৰত্যক্ষভাৱে দুজনা মহাপুৰুষৰ ওচৰত ঋণী, নাটৰ ভাষা, ৰস, কলাত্মক গুণ, কলা-কৌশল আদিৰ ক্ষেত্ৰত তেওঁৰ নাট্যৰাজিয়ে যথোপযুক্ত ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। তিনিওখন নাটতে কথা-সূত্ৰ, সংলাপ আৰু গীতৰ মাধ্যমেৰে নাট্যবস্তুৰ ভাৱ প্ৰকাশিত হৈ উপযুক্ত ৰূপত ৰস নিষ্পত্তি হৈছে, যাৰ ফলত শ্ৰোতা-দৰ্শকৰ হৃদয় সংবাদী হৈ উঠাত সহায়ক হৈছে। নাট্যকাহিনীৰ প্ৰয়োজন আৰু বিকাশৰ প্ৰতি দৃষ্টি ৰাখি মূলত নথকা বিভিন্ন ঘটনাংশ আৰু চৰিত্ৰ সৃষ্টি কৰি নাট্যকাৰে মৌলিকত্বৰ প্ৰদৰ্শন কৰাত সফল হৈছে। ভাষাৰ ক্ষেত্ৰতো গোপালদেৱৰ আটাইকেইখন নাটতে শুদ্ধ আৰু গাম্ভীৰ্যপূৰ্ণ ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ মন কৰিবলগীয়া, যিটো সমসাময়িক অন্যান্য নাট্যকাৰৰ ক্ষেত্ৰত পৰিলক্ষিত নহয়। অৱশ্যে গদ্যত কিছু পৰিমাণে তৎকালীন অসমীয়া ভাষা তথা শব্দৰ ঠাঁচ আৰু ব্যৱহাৰ বিশেষভাৱে লক্ষণীয়। জন্মযাত্ৰা আৰু নন্দোৎসৱৰ ক্ষেত্ৰত এটা কথা উল্লেখনীয় যে দুটা পৃথক ঘটনাক একেডাল সূতাৰে বান্ধি যি নাটকীয় উৎকণ্ঠা আৰু আবেদনৰ সৃষ্টি কৰিছে তাৰ বাবে নাট্যকাৰগৰাকীৰ চিন্তা আৰু স্বকীয়তা শলাগৰ যোগ্য। তদুপৰি আৰম্ভনিৰ পৰা শেষলৈকে নাট্যকাহিনীৰ একমুখিতাই কেউখন নাটককে আকৰ্ষণীয় কৰি তুলিছে। গোপাল আতাৰ তিনিওখন নাটতেই মূল চৰিত্ৰ হিচাপে আছে কৃষ্ণ। নাট্যকাৰে সম্পূৰ্ণ মানৱীয় গুণাৱলীৰে সিক্ত কৰি চৰিত্ৰটো ব্যঞ্জিত কৰিছে যদিও অভেদ ঈশ্বৰত্ব আৰোপ কৰি ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। অৰ্থাৎ গোপাল আতাৰ নাট্যাৱলীৰ মাধ্যমেৰে একশৰণৰ মূল তত্ত্ব আৰু উদ্দেশ্যৰো পূৰ্ণ প্ৰতিফলন ঘটিছে। গতিকে


## বিশেষ ঘোষণা

অজস্ৰ সুহৃদ পাঠকৰ আগ্ৰহ আৰু অনুৰোধ মৰ্মে 'স্বৰ্ণলিপি'ৰ প্ৰতিটো সংখ্যাতে অন্ততঃ এটাকৈ হ'লেও চুটিগল্প প্ৰকাশ কৰাৰ কথা আমি ভাবিছো। সেই বাবে আপোনালোকে গল্পসমূহ (মৌলিক বা অনূদিত) আমালৈ শীঘ্ৰে ইমেইল কৰিব পাৰে। লগতে এটা কথা মনত ৰখাটো প্ৰয়োজন যে একোটা চুটিগল্প সৰ্বোচ্চ ৪০০০ (চাৰি হাজাৰ) শব্দৰ ভিতৰত হ'লে আমাৰ সুবিধা হ'ব।।

আমাৰ ইমেইল -
swarnalipi2011@gmail.com

উত্তৰ শঙ্কৰী যুগৰ নাট্য-সাহিত্যৰ উত্তৰণত গোপাল আতাৰ নাট্যৰাজিয়ে নিশ্চিতৰূপত অগ্ৰস্থান পোৱাৰ যোগ্য আৰু নাট্যকাৰ হিচাপেও স্বকীয় প্ৰতিভা আৰু কৃতিত্বৰ পৰিচয় বহন কৰা গোপালদেৱে সমসাময়িক নাট্যকাৰসকলৰ মাজত একক আৰু অনন্য ৰূপেৰে উদ্ভাসিত হৈ এখনি বিশিষ্ট আসন লাভ কৰিবলৈ সক্ষম হৈছে।□


**গ্ৰন্থপঞ্জী ঃ**

আতৈ, সোণেশ্বৰ (সম্পা)। *শংকৰ মাধৱ আৰু আতা-আতৈৰ চমু চৰিত।* ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰ শুৱালকুছি ঃ প্ৰথম প্ৰকাশ, ৫৫৬ শংকৰাব্দ, ২০০৫।

দাস, অৰ্জুন চন্দ্ৰ। *মহাপুৰুষীয়া ধৰ্মৰ নৱৰত্ন।* লেখন আৰু প্ৰকাশন সমিতি, বৰপেটা ঃ প্ৰথম প্ৰকাশ, ২০০৬।

দাস, জ্ঞানৰঞ্জন। *আধুনিক অসমীয়া ভাষাত কথা-গুৰু চৰিত।* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী ঃ দ্বিতীয় প্ৰকাশ, ২০১০।

দ্বিজ, পূৰ্ণানন্দ। *মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ।* মোহনচন্দ্ৰ মহন্ত, নবীনচন্দ্ৰ বৰদলৈৰ দ্বাৰা সম্পাদিত, যোৰহাট ঃ প্ৰথম প্ৰকাশ, ১৯৭১।

নেওগ, মহেশ্বৰ (সম্পা)। *গুৰু চৰিত কথা।* প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় ঃ প্ৰথম তাণ্ডৰণ, ১৯৮৬।

পদ্মপাণি (সম্পা.)। *শ্ৰীশ্ৰীগোপালদেৱৰ গীত-ঘোষা আৰু নাট।* শ্ৰীশ্ৰীগোপালদেৱ সেৱা সমিতিৰ দ্বাৰা প্ৰকাশিত, প্ৰথম প্ৰকাশ, মে' ২০০৫।

বৰ্মন, শিৱনাথ (সম্পা)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)।* আবিলেক, গুৱাহাটী ৩০ — প্ৰথম প্ৰকাশ, জুন, ১৯৯৭।

বৰকাকতী, সঞ্জীৱ কুমাৰ (সম্পা)। *ৰামানন্দ দ্বিজকৃত শ্ৰীগুৰু চৰিত।* বাণী মন্দিৰ, প্ৰথম প্ৰকাশ, ২০১৪।

ভূঞা, পূৰ্ণানন্দ। *ভৱানীপুৰীয়া গোপাল আতা কৃতি আৰু কৃতিত্ব।* লয়াৰ্ছ বুকষ্টল, গুৱাহাটী ঃ প্ৰথম প্ৰকাশ, ২০০৮।

মহন্ত, দীনচন্দ্ৰ। *মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ কথাচৰিত।* গ্ৰন্থকাৰৰ দ্বাৰা প্ৰকাশিত, প্ৰথম প্ৰকাশ, আহিন, ১৯১৭ শক।

Neog, Maheswar. *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement of Assam.* Gauhati University, 1982.



*(ঠিকনা- সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, নগাঁও ছোৱালী কলেজ, নগাঁও, ফোন- ৯১০১৪০৫৯৪৩)*



আমাৰ প্ৰকাশিত গ্ৰন্থ ।। ফোন কৰক/'আমাজন'ত চাৰ্চ কৰক ।।




তোমাৰ আকাশ মোৰ পৃথিৱী

ডঃ ৰুণজুন শইকীয়াৰ
মনপৰশা চুটিগল্প সংকলন

স্বৰ্ণলিপি প্ৰকাশন
স্বৰ্ণলিপি ভৱন, ৩৬ মন আকাশী পথ
জ্যোতি নগৰ, বামুনীমৈদাম, গুৱাহাটী-৭৮১০২১
ফোন - ৯৯৫৭১৮৫৮৩৫, ৯৮৫৯৯০৯৮১৫